# খবৰনামা

সপ্তম প্ৰকাশ ঃ জুন, ২০১২



## ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

পুৰণিগুদাম, নগাঁও ঃ অসম





সম্পাদিকাদ্বয়

অঞ্জুমণি বৰা, মল্লিকা বৰা



# অধ্যক্ষৰ একাষাৰ

'খবৰনামা'ৰ সপ্তম সংখ্যাটি প্ৰকাশ হ'ব বুলি জানিব পাৰি নথৈ আনন্দিত হৈছোঁ। একেৰাহে 'খবৰনামা' প্ৰকাশ হৈ থকাটো মহাবিদ্যালয়ৰ বাবে নিশ্চয় সুখবৰ।

বিগত শিক্ষাবৰ্ষত শিক্ষাৰ লগতে আন ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে দেখুওৱা পাৰদৰ্শিতা তথা সফলতাৰ সংক্ষিপ্ত খতিয়ান তুলি ধৰাটো 'খবৰনামা'ৰ প্ৰধান উদ্দেশ্য। মহাবিদ্যালয়ৰ সামগ্ৰিক কাম-কাজ আৰু উন্নতিৰ খবৰ অভিভাৱক তথা ৰাইজৰ ওচৰলৈ লৈ যোৱাটো 'খবৰনামা'ৰ আন এক উদ্দেশ্য। মহাবিদ্যালয় একোখনৰ লগত অঞ্চলটোৰ ৰাইজৰ আবেগ, আশা-আকাংক্ষা জড়িত হৈ থাকে। সেয়ে মহাবিদ্যালয়ৰ বিভিন্ন বা-বাতৰি ৰাইজৰ অৱগত হোৱাটো বাঞ্চনীয়। কোনো মহাবিদ্যালয় মাথো এক 'দ্বীপ' হৈ থাকিব নোৱাৰে। অভিভাৱক তথা ৰাইজৰ সক্ৰিয় সহযোগ অবিহনে শিক্ষানুষ্ঠান একোখন প্ৰগতিৰ পথত আগুৱাই যোৱাটো সম্ভৱ নহয়। 'খবৰনামা'ৰ নৱতম সংখ্যাটিয়ে আমাৰ উদ্দেশ্য পূৰণ কৰিব বুলি আশা কৰিছোঁ।

একেৰাহে তৃতীয়বাৰৰ বাবে 'খবৰনামা'ৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰা বাবে সম্পাদিকাদ্বয় সহযোগী- অধ্যাপিকা অঞ্জুমণি বৰা আৰু মল্লিকা বৰাৰ শলাগ লৈছোঁ।

'খবৰনামা' দীৰ্ঘজীৱি হওঁক।

জয়তু ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদালয়।

ড° ভূপেন শইকীয়া
*অধ্যক্ষ,*
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদালয়

# মহাবিদ্যালয় সঙ্গীত

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়
কলংপৰীয়া ডেকা-গাভৰু আমি
প্ৰগতিৰ পথে আগুৱাওঁ
ধৰাৰ বুকু প্ৰসাৰী আমি
এন্ধাৰ বিনাশী আগুৱাওঁ
জ্ঞানৰ বন্তি জ্বলাওঁ।।

জীৱনৰ পাতনি মেলো আমি
আমাৰ এই মন্দিৰত
সৰগৰো প্ৰিয় এই শিক্ষা ভূমি
জ্ঞানৰ বন্তি জ্বলালো প্ৰাণত।
ন আলোকেৰে, ন-ন সাহেৰে
নতুন দিগন্ত বিচাৰি যাওঁ।
এন্ধাৰ বিনাশী আগুৱাওঁ
জ্ঞানৰ বন্তি জ্বলাওঁ।।

মান ৰাখিম আমি বিৰিঞ্চি বৰুৱাৰ
সুৰীয়া গীত গাম ৰুদ্ৰ বৰুৱাৰ
নৱকান্তৰ ন-প্ৰদীপেৰে
আদৰিম সবাকে আলোকৰ আৱেশলে'
সুখৰ সৰগ হেন পাওঁ।
এন্ধাৰ বিনাশী আগুৱাওঁ
জ্ঞানৰ বন্তি জ্বলাওঁ।।

কথা - **ড° ভূপেন শইকীয়া**
*অধ্যক্ষ*
সুৰ— **শ্ৰীপ্ৰশান্ত গোস্বামী**

# মহাবিদ্যালয়ৰ বিষয়ে চমুকৈ

বিশ্ববিদ্যালয় অনুদান আয়োগত পঞ্জীয়ন

কাল ঃ ২৭ মাৰ্চ, ১৯৯২ চন

শিক্ষকৰ সংখ্যা ঃ ২৭ জন

অনা-শিক্ষক কৰ্মচাৰীৰ সংখ্যা ঃ ১৪ জন

শিক্ষাদান কৰা বিষয় আৰু বিভাগসমূহ—

ক) অসমীয়া (আধুনিক ভাৰতীয় ভাষা)

খ) ঐচ্ছিক অসমীয়া

গ) ইংৰাজী

ঘ) ঐচ্ছিক ইংৰাজী (Alternative English)

ঙ) অৰ্থনীতি

চ) ৰাজনীতি বিজ্ঞান

ছ) বুৰঞ্জী

জ) শিক্ষা

ঝ) ভূগোল

# সম্পাদকীয়.....

মহাবিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত সপ্তম সংখ্যক 'খবৰনামা'খন আপোনালোকৰ হাতত তুলি দিবলৈ পাই আনন্দিত হৈছোঁ। সময়ৰ প্ৰয়োজন সাপেক্ষে মহাবিদ্যালয়ে সময়ে সময়ে লোৱা বিভিন্ন পদক্ষেপৰ খতিয়ান 'খবৰনামা'ৰ জড়িয়তে দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

পৰিচালনা সমিতি, অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী সকলে ছাত্ৰ-ছাত্ৰীক শৈক্ষিক, বৌদ্ধিক সকলো দিশতে বাট দেখুৱাই দেশৰ সুনাগৰিক হিচাপে গঢ়ি তুলিবলৈ আন্তৰিক প্ৰচেষ্টা চলাই আহিছে। চলিত শিক্ষা বৰ্ষত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যৰে তিনিখন আলোচনা চক্ৰ আৰু দুখন কৰ্মশালা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ আন্তঃগাঠনিও পূৰ্বৰ তুলনাত বহুখিনি উন্নত হৈছে। মুঠৰ ওপৰত উপযুক্ত শৈক্ষিক পৰিবেশ গঢ়ি তুলিবলৈ মহাবিদ্যালয়ে বিভিন্ন সময়ত বিভিন্ন পদক্ষেপ লৈছে।

মহাবিদ্যালয় পৰিয়ালৰ সকলোৰে আন্তৰিক প্ৰচেষ্টা, ছাত্ৰ-ছাত্ৰীৰ একাগ্ৰতা আৰু ৰাইজৰ সহযোগিতাই ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ক এখন সৰ্বাঙ্গসুন্দৰ শিক্ষানুষ্ঠানত পৰিণত কৰিব বুলি আশা কৰিব পাৰি—

**সম্পাদিকাদ্বয়**

# বৃত্তি শিক্ষাৰ পাঠ্যক্রম

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ত নিয়মীয়া পাঠক্রমৰ উপৰিও বৃত্তি শিক্ষাৰ বিভিন্ন পাঠ্যক্রম মুকলি কৰা হৈছে।

## কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (KKHSOU) ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ যোগেদি Bachelor's Preparatory Programme(BPP)ৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাত অৱতীৰ্ণ হৈ স্নাতক শ্ৰেণীৰ নাম ভৰ্তি কৰিব পাৰিব। বৰ্তমানে ইয়াৰ যোগেদি কেইবাজনো ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছে আৰু নাম ভৰ্তিকৰণো চলি আছে।

## ইনষ্টিটিউট অৱ ডিষ্টেন্ট এণ্ড অপেন লাৰ্নিং (IDOL) ঃ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত মহাবিদ্যালয় আৰম্ভ কৰা এই কেন্দ্ৰৰ যোগেদি স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱা লোকে দুবছৰীয়া স্নাতকোত্তৰ বা এবছৰীয়া ডিপ্লমা পাঠ্যক্রমত অধ্যয়ন কৰিব পাৰে। বৰ্তমানে এই কেন্দ্ৰৰ কেইবাজনো ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে আৰু কেইবাজনো উত্তীৰ্ণ হৈছে।

## কম্পিউটাৰ পাঠ্যক্রম ঃ

কম্পিউটাৰ শিক্ষাৰ অপৰিহাৰ্যতালৈ লক্ষ্য ৰাখি মহাবিদ্যালয়ত বৰ্তমান বিনামূলীয়াকৈ এই পাঠ্যক্রম প্ৰৱৰ্তন কৰা হৈছে। বৰ্তমান এই পাঠ্যক্রমত কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে।

## ফেশ্বন-টেক্সটাইল এণ্ড ইনটেৰিয়ৰ ডিজাইনিং পাঠ্যক্রম ঃ

মহাবিদ্যালয়ত বিগত পাঁচ বছৰ ধৰি বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ অৰ্থ অনুমোদনেৰে ফেশ্বন টেক্সটাইল আৰু ইন্টেৰিয়ৰ ডিজাইনিঙৰ এবছৰীয়া পাঠ্যক্রম প্ৰৱৰ্তন কৰা হৈছে। স্ব-নিয়োজনৰ সুবিধা থকা এই পাঠ্যক্রমত বৰ্তমানে কেইবাজনো ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে।

## সংগীত বিদ্যালয় ঃ

মহাবিদ্যালয়ত বিগত কেইবা বছৰো ধৰি এখন সঙ্গীত বিদ্যালয় চলি আছে। আগন্তুক শিক্ষা বৰ্ষৰ পৰা পুনৰ ভাটখাণ্ডে আৰু লক্ষ্ণৌৰ পৰা ভকেল আৰু তবলাত Bachelor Degree প্ৰদান কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

# ২০১১-২০১২ শিক্ষাবৰ্ষৰ মহাবিদ্যালয়ৰ বিভাগসমূহৰ চমু খতিয়ান

## অসমীয়া বিভাগ (Assamese Dept.)

ড°বিবিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগে ২০১১ চনৰ ১৫ অক্টোবৰত অধ্যাপক সোমনাথ বৰাৰ সংযোজনাত ড°বিৰিঞ্চিকুমাৰ বৰুৱা স্মাৰক বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰে। দৰং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক সু-সাহিত্যিক শ্ৰীযুত পুৰ্ণেশ্বৰ নাথে "অসমীয়া কবিতাত প্ৰকৃতি" শীৰ্ষক এক মনোগ্ৰাহী বক্তৃতা আগবঢ়ায়।

অধ্যাপক সোমনাথ বৰাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ MIL বিভাগৰ পৰা Ph.D. ৰ Course Work পৰীক্ষাত সফলতা অৰ্জন কৰে। নগাঁও জিলা সাহিত্যসভাৰ নিমন্ত্ৰণক্ৰমে চলিত বৰ্ষৰ ১ এপ্ৰিলত আয়োজন কৰা বক্তৃতানুষ্ঠানত সোমনাথ বৰাই বক্তৃতা প্ৰদান কৰে। তেওঁ এক ক্ষুদ্ৰ গৱেষণা প্ৰকল্প চলাই আছে। অধ্যাপিকা অঞ্জুমনি বৰা আৰু মল্লিকা বৰাই আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় আৰু খাগৰিজান মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰত অংশ গ্ৰহণ কৰে। মল্লিকা বৰাই চলিত বৰ্ষৰ মে' মাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ (Institute of North East Studies)ৰ সৌজন্যত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰত গৱেষণা পত্ৰ পাঠ কৰে।

সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চুড়ান্ত পৰীক্ষাত আইৰিন বেগম আৰু প্ৰণীতা বৰাই অসমীয়া বিষয়ত লেটাৰ মাৰ্ক পাবলৈ সক্ষম হয়।

বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰীৰ তত্বাৱধানত অসমীয়া মেজৰৰ প্ৰথম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে ২০১২ চনৰ জানুৱাৰী মাহত ঐতিহ্যমণ্ডিত তেজপুৰ চহৰলৈ গৈ এক শিক্ষামূলক ভ্ৰমণ কাৰ্যসূচী ৰূপায়ন কৰে।

## ইংৰাজী বিভাগ (English Dept.)

ইংৰাজী বিভাগৰ মুৰব্বী আধ্যাপিকা গায়ত্ৰী গোপ, কমল শইকীয়া আৰু যতীন শৰ্মাই গৱেষণা কাৰ্যত ব্ৰতী হৈ আছে। তিনিওজন অধ্যাপকেই কেইবাখনো ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰত অংশ গ্ৰহণ কৰে। অধ্যাপক যতীন শৰ্মাই ২০১২ চনৰ মে' মাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ Institute of North East Studies ৰ সৌজন্যত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰত গৱেষণা পত্ৰ পাঠ কৰে।

অধ্যাপিকা গায়ত্ৰী গোপে বিগত বৰ্ষৰ পৰা মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ সংগীত শিল্পীক নগদ ধনেৰে পুৰস্কৃত কৰি উদগনি যোগাই আহিছে।

অধ্যাপক কমল শইকীয়াই নগাঁও মহাবিদ্যালয়ত ইংৰাজী বিভাগৰ বিষয় বিশেষজ্ঞ হিচাপে অংশ গ্ৰহণ কৰে। মুৰব্বী অধ্যাপিকা গায়ত্ৰী গোপে সমল ব্যক্তি হিচাপে খাগৰিজান মহাবিদ্যালয়ত অংশ গ্ৰহণ কৰে।

অধ্যাপক যতীন শৰ্মাই চলিত বৰ্ষত MRP (ক্ষুদ্ৰ গৱেষণা প্ৰকল্প)ৰ কাম সম্পূৰ্ণ কৰে।

## শিক্ষা বিভাগ (Education Department)

শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা মামনি শইকীয়াই কামপুৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগে আয়োজন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাত সঞ্চালকৰ দায়িত্ব পালন কৰে। তেওঁ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগ আৰু মহিলাকোষে বিশ্ববিদ্যালয়ৰ অনুদানেৰে অনুষ্ঠিত কৰা দুইখন আলোচনাচক্ৰতে গৱেষণা পত্ৰ পাঠ কৰে। তেওঁ নগাঁও মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ বিষয় বিশেষজ্ঞ হিচাপে অংশ গ্ৰহণ কৰে।

অধ্যাপিকা অঞ্জনা গোস্বামীয়ে ২০১২ চনৰ জানুৱাৰী মাহত Ph. D. Course Work পৰীক্ষাত সফলতা অৰ্জন কৰে। তেওঁ ৰহা মহাবিদ্যালয়ৰ শিক্ষা বিভাগত বিষয় বিশেষজ্ঞ হিচাপে অংশ গ্ৰহণ কৰে।

অধ্যাপিকা বিজু বৰাই মহাবিদ্যালয়ত বিশ্ববিদ্যালয়ৰ অনুদানেৰে অনুষ্ঠিত দুয়োখন আলোচনা চক্ৰতে গৱেষণা-পত্ৰ পাঠ কৰে।

অধ্যাপক ঘনশ্যাম টাইডে 8 Assam BN, NCCৰ উদ্যোগত আমবাগানত অনুষ্ঠিত কৰা CATCত অংশ গ্ৰহণ কৰে। তেওঁ শিক্ষা বিভাগে দাৰ্জিলিঙলৈ কৰা শিক্ষামূলক ভ্ৰমনত ছাত্ৰ-ছাত্ৰীৰ তত্বাবধায়কৰ দায়িত্ব পালন কৰে। তেওঁ উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয় (NEHU)ত চলিত বৰ্ষত ইং ১৩ ফেব্ৰুৱাৰীৰ পৰা ১১ মাৰ্চলৈকে অনুষ্ঠিত Orientation Course সুকলমে সমাপন কৰে।

বিভাগৰ আটাইকেইগৰাকী অধ্যাপিকাই নগাঁও এ.ডি.পি. কলেজ, খাগৰিজান কলেজ আৰু গোপীনাথ দেৱগোস্বামী কমাৰ্চ কলেজৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰত অংশ গ্ৰহণ কৰে।

সদ্যঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাত এগৰাকী ছাত্ৰীয়ে শিক্ষা বিষয়ত লেটাৰ মাৰ্ক পায়।

## অৰ্থনীতি বিভাগ (Economics Department)

অৰ্থনীতি বিভাগে নগাঁও বাৰ এচ'ছিয়েচনৰ সহযোগত ২০১১ চনৰ ২৭ আগষ্টত বিশ্ববিদ্যালয়ৰ অনুদানেৰে 'Human Rights New Dimention and Challenges' শীৰ্ষক এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড° জয়ন্ত কৃষ্ণ শৰ্মা, যোগেন চন্দ্ৰ কলিতা সমল ব্যক্তি হিচাপে উপস্থিত থাকে। শ্যাম ভদ্ৰ মেধিয়ে আলোচনাচক্ৰ খনিৰ উদ্বোধক আৰু ৰাজীৱ গান্ধী বিশ্ববিদ্যালয় (অৰুণাচল)ৰ ড° জয়দেৱ চাহু সঞ্চালক হিচাপে উপস্থিত থাকি আলোচনাচক্ৰখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। আলোচনাচক্ৰখনিৰ বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা অধ্যাপক-অধ্যাপিকাসকলে ২৬খন গৱেষণা-পত্ৰ পাঠ কৰে। আলোচনাচক্ৰ খনিৰ সংযোজক অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা শ্ৰীমতী লখিমী কাকতিয়ে সকলোবোৰ কাৰ্য সুশৃঙ্খলভাৱে কৰি দক্ষতা ৰ পৰিচয় দিয়ে। আলোচনাচক্ৰ খনিৰ নিৰ্বাচিত গৱেষণা-পত্ৰসমূহ আলোচনাচক্ৰ শিৰোনামেৰে নামকৰণ কৰি গ্ৰন্থ আকাৰে প্ৰকাশ কৰা হয়।

অৰ্থনীতি বিভাগে ২০১২ চনৰ ১৭ তাৰিখে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত বিশ্ববিদ্যালয়ৰ অৰ্থ সাহায্যৰে 'Human Rights Social Development' শীৰ্ষক আন এখনি ৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত কৰে।

আলোচনা চক্ৰখনিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য শ্ৰীযুত কমলেশ্বৰ বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ ড° ৰমেশ চন্দ্ৰ বৰপাত্ৰ গোহাঁই, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা কুন্তলা ডেকা, অধিবক্তা দীপা শইকীয়াই সমল ব্যক্তি হিচাপে বক্তব্য প্ৰদান কৰে। অৱসৰপ্ৰাপ্ত I.A.S. বিষয়া শ্যাম ভদ্ৰ মেধিয়ে আলোচনাখনিৰ সঞ্চালনাৰ দায়িত্ব পালন কৰে। আলোচনা চক্ৰখনিত সৰ্বমুঠ ২১খন গৱেষণা-পত্ৰ পাঠ কৰা হয়।

অধ্যাপিকা লখিমী কাকতি, অধ্যাপক বিপুল চক্ৰৱৰ্তীয়ে বিষয় বিশেষজ্ঞ হিচাপে নগাঁও গোপীনাথ দেৱ গোস্বামী কমাৰ্চ মহাবিদ্যালয় আৰু কলিয়াবৰ মহাবিদ্যালয়ত অংশ গ্ৰহণ কৰে। মুৰব্বী অধ্যাপিকা লখিমী কাকতিয়ে অৰ্থনীতি বিভাগৰ শ্ৰেণীকোঠাত অধিক উপস্থিত থকা ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰে।

## ভূগোল বিভাগ (Geography Department)

ভূগোল বিভাগে চলিত বৰ্ষৰ ইংৰাজী ১৬

এপ্ৰিলৰপৰা ইংৰাজী ২২ এপ্ৰিললৈকে সাতদিনীয়া কাৰ্যসূচীৰে "Concept of G.I.S. (Geographic Information System and Remote Sensing) শিৰোনামাৰে এখন কৰ্মশালা (Workshop) অনুষ্ঠিত কৰে। বিভাগীয় মুৰব্বী আকাশী ভূঞাৰ সংযোজনাত অনুষ্ঠিত হোৱা এই কৰ্মশালাখনত নৱতম Software (Art G.I.S. 10 version, 10 userৰ এটা Computer Laboratory) ভূগোল বিভাগত মুকলি কৰা হয়। ভূগোল বিভাগৰ এই Laboratory টো নগাঁও জিলাৰ আন মহাবিদ্যালয়ৰ ভিতৰতে আটাইতকৈ ডাঙৰ আৰু নৱতম Software Laboratory।

ভূগোল বিভাগে esri India ৰ সহযোগত ২০১১ চনৰ ২৮ আৰু ২৯ চেপ্তেম্বৰ তাৰিখে দুদিনীয়াকৈ এটি প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰে।

অধ্যাপিকা আকাশী ভূঞা, খিজুমণি শইকীয়া আৰু বনশ্ৰী শইকীয়াই কলিয়াবৰ মহাবিদ্যালয়ত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰত গৱেষণা-পত্ৰ পাঠ কৰে।

আকাশী ভূঞা, দেবিতা কেম্প্ৰাইয়ে তেজপুৰ NERIWALMত অনুষ্ঠিত কৰ্মশালাত অংশ গ্ৰহণ কৰে। মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগ আৰু মহিলাকোষে বিশ্ববিদ্যালয়ৰ অনুদানেৰে অনুষ্ঠিত কৰা আলোচনাচক্ৰত বিভাগৰ আকাশী ভূঞা, খিজুমণি শইকীয়া আৰু বনশ্ৰী শইকীয়াই গৱেষণা-পত্ৰ পাঠ কৰে। আকাশী ভূঞাই এ.ডি.পি. কলেজ, নগাঁও গাৰ্লছ কলেজ আৰু খাগৰিজান কলেজত অনুষ্ঠিত আলোচনা চক্ৰত অংশ গ্ৰহণ কৰে।

আকাশী ভূঞা আৰু দেবিতা কেম্প্ৰাইয়ে ক্ষুদ্ৰ গৱেষণা প্ৰকল্প (M.R.P)ৰ কাম চলাই আছে। তেওঁলোকে নগাঁও গাৰ্লছ কলেজত অনুষ্ঠিত GIS training ত অংশ গ্ৰহণ কৰে।

দেবিতা কেম্প্ৰাইয়ে ভূগোল বিভাগে দাৰ্জিলিঙলৈ কৰা শিক্ষামূলক ভ্ৰমনত ছাত্ৰ-ছাত্ৰীৰ তত্ত্বাবধায়কৰ দায়িত্ব পালন কৰে। তেওঁ চলিত বৰ্ষত ২৩ এপ্ৰিলৰ পৰা ২০ মে'লৈকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত Orientation Programmeত অংশ গ্ৰহণ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ত ২০১১ চনত ২৬ আগষ্টৰ পৰা ২৪ চেপ্তেম্বৰলৈকে এমহীয়াকৈ অনুষ্ঠিত GIS Courseত প্ৰশিক্ষণ লয়।

## বুৰঞ্জী বিভাগ (History Department)

বুৰঞ্জী বিভাগৰ অধ্যাপিকা অনুৰূপা বৰাই Ph.D. Course Workৰ পৰীক্ষাত সফলতা অৰ্জন কৰে। তেওঁ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগ আৰু মহিলাকোষে বিশ্ববিদ্যালয়ৰ অনুদানেৰে আয়োজন কৰা আলোচনা চক্ৰত গৱেষণা-পত্ৰ পাঠ কৰে।

অনুৰূপা বৰাই নগাঁও এ.ডি.পি. কলেজ, খাগৰিজান কলেজ, গোপীনাথ দেৱ গোস্বামী কমাৰ্চ কলেজত আয়োজন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰত অংশ গ্ৰহণ কৰে।

অধ্যাপক আচাদুজ জামানে নগাঁও গোপীনাথ দেৱ গোস্বামী কমাৰ্চ কলেজত অনুষ্ঠিত বিশ্ববিদ্যালয়ৰ অনুদানেৰে আয়োজন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাত অংশ গ্ৰহণ কৰে।

অধ্যাপক জামান CMJ Universityৰ মনোনীত Guide। তেখেতৰ বৰ্তমান ক্ষুদ্ৰ গৱেষণা প্ৰকল্প (M.R.P.)ৰ কাম কৰি আছে।

বুৰঞ্জী বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীৰ তত্ত্বাৱধানত বিভাগৰ মেজৰৰ ছাত্ৰ-ছাত্ৰীসকলে শিৱসাগৰলৈ এক শিক্ষামূলক ভ্ৰমন কাৰ্যসূচী সম্পূৰ্ণ কৰে।

## ৰাজনীতি বিজ্ঞান বিভাগ (Political Science Department)

ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক নকুল চন্দ্ৰ শৰ্মাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত গৱেষণা কাৰ্য চলাই আছে।

অধ্যাপক নৃপেন্দ্ৰ কুমাৰ শৰ্মা, অধ্যাপক নকুল চন্দ্ৰ শৰ্মাই কেইবাখনো ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰত অংশ গ্ৰহণ কৰে।

অধ্যাপক গিৰিন্দ্ৰ কুমাৰ বৰুৱা, নকুল চন্দ্ৰ শৰ্মাৰ তত্ত্বৱধানত ২০১১ চনৰ নবেম্বৰ মাহৰ বিভাগৰ মেজৰৰ ছাত্ৰসকলে শ্বিলং, চেৰাপুঞ্জীলৈ এক শিক্ষামূলক ভ্ৰমন কাৰ্যসূচী সম্পূৰ্ণ কৰে।

# মহাবিদ্যালয়ৰ পুথিভঁৰাল
# (Library of the College)

অত্যাধুনিক সা-সুবিধাৰে সমৃদ্ধ মহাবিদ্যালয়ৰ পুথিভঁৰালক লৈ মহাবিদ্যালয়ৰ প্ৰতিজন সদস্যই গৌৰৱ অনুভৱ কৰিব পাৰে। প্ৰায় পোন্ধৰ হেজাৰ গ্ৰন্থৰ উপৰিও দুখন আন্তঃৰাষ্ট্ৰীয়, চৈধ্যখন ৰাষ্ট্ৰীয়, পাঁচখন ৰাজ্যিক পৰ্যায়ৰ আলোচনী আৰু এঘাৰখন দৈনিক আৰু সাপ্তাহিক বাতৰি কাকতে পুথিভঁৰালৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। মহাবিদ্যালয়ৰ পুথিভঁৰাল N List Programmeত অন্তৰ্ভুক্তিয়ে শিক্ষক তথা ছাত্ৰ-ছাত্ৰীক বৈদ্যুতিক কিতাপ (e-book) আৰু বৈদ্যুতিক আলোচনী (e-journal) বিনামূলীয়াকৈ পঢ়াৰ সুবিধা কৰিছে। পুথিভঁৰালৰ অধ্যয়ন কক্ষ অতি সুন্দৰ ৰূপত সজাই তুলি অধ্যয়নৰ সুস্থ পৰিৱেশ গঢ়ি তোলা হৈছে। প্ৰয়োজনীয় তথ্য ঠাইতে কম মূল্যত ফটোষ্টেট কৰাৰো সুব্যৱস্থা আছে। তিনিটা কম্পিউটাৰসহ ইণ্টাৰনেটৰ সুব্যৱস্থা আছে। দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে বুক বেঙ্কৰ ব্যৱস্থা আছে।

চলিত শিক্ষাবৰ্ষৰ মাৰ্চ মাহৰ ১৫, ১৬, ১৭ তাৰিখে তিনিদিনীয়াকৈ মহাবিদ্যালয়ৰ পুথিভঁৰালত 'Dspace' শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত সমন্বয়ক জুলি ঠাকুৰীয়াই আঁত ধৰে আৰু অধ্যক্ষ ড° ভূপেন শইকীয়াই আদৰণী ভাষণ পাঠ কৰে। গুৱাহাটী বিশ্ববিদ্যালয় লাইব্ৰেৰি চায়েন্সৰ মূৰব্বী অধ্যাপক নৰেন লহকৰে কৰ্মশালাখন উদ্বোধন কৰে। কৰ্মশালাত সমল ব্যক্তিৰূপে কলিকতা বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰি চায়েন্সৰ মূৰব্বী অধ্যাপক ড° পিয়ুষ কান্তি পাণিগ্ৰাহী আৰু IASLICৰ সাধাৰণ সম্পাদক ড° দুৰ্গাপ্ৰসাদ ৰথে অংশ গ্ৰহণ কৰে। বিভিন্ন মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে কৰ্মশালাত অংশ গ্ৰহণ কৰি উপকৃত হয়।

# মহাবিদ্যালয়ৰ কাৰ্যালয় (Office of the College)

মহাবিদ্যালয়ৰ কাৰ্যালয় আধুনিক সা-সঁজুলিৰে বৰ্তমান যথেষ্ট উন্নত কৰা হৈছে। কাৰ্যালয়ত কম্পিউটাৰ ব্যৱহাৰে মুহূৰ্ততে সকলোবোৰ তথ্য হাতত পাব পৰাকৈ সু-শৃঙ্খল কৰি তোলা হৈছে।

মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ নিষ্ঠাবান কৰ্মী প্ৰয়াত দেবেন্দ্ৰ শইকীয়াৰ অকাল বিয়োগত মহাবিদ্যালয়ৰ অপূৰণীয় ক্ষতি হয়। তেওঁৰ বিয়োগত মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গই শোক প্ৰকাশ কৰে আৰু লগতে স্বৰ্গগত আত্মাৰ সদ্গতি কামনা কৰে।

# মহাবিদ্যালয়ৰ বিগত শিক্ষাবৰ্ষৰ কাৰ্যসূচীৰ চমু খতিয়ান ঃ

টেট (Teachers' Eligibility Test) প্ৰশিক্ষণ — মহাবিদ্যালয়ৰ Entry into Service Cellৰ ব্যৱস্থাপনাত সমন্বয়ক অধ্যাপক বিপুল চক্ৰৱৰ্তীৰ পৰিচালনাত ২০১১ চনৰ ৮ আগষ্ট তাৰিখৰপৰা ৩০ চেপ্তেম্বৰ তাৰিখলৈ বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে বিনামূলীয়াকৈ দুমহীয়া 'টেট' প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ উপৰিও বাহিৰৰ পৰা অহা বিভিন্নজন সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ প্ৰশিক্ষণ লোৱা বহু ছাত্ৰ-ছাত্ৰীয়ে TET—ত উত্তীৰ্ণ হৈ বৰ্তমান শিক্ষকৰ চাকৰি লাভ কৰিবলৈ সক্ষম হৈছে।

**প্ৰতিভা সন্ধানী পৰীক্ষা**

বিগত কেইবছৰৰ দৰে এইবছৰো মহাবিদ্যালয়ৰ Career Counseling and Guidance Cellৰ ব্যৱস্থাপনাত স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিভা সন্ধানী পৰীক্ষা অনুষ্ঠিত কৰি ফলাফল ঘোষণা কৰে। মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক শ্ৰীযুত যোগানন্দ গোস্বামীয়ে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক প্ৰাঞ্জল গোস্বামী সোঁৱৰণী বঁটা প্ৰদান কৰে। প্ৰথম স্থান অধিকাৰ কৰিছে শ্ৰীৰাজশেখৰ কলিতা, নৱম শ্ৰেণী, নৱৰূপ জাতীয় বিদ্যাপীঠ, নগাঁও; দ্বিতীয় স্থান অধিকাৰ কৰিছে শ্ৰীতমুগ্না প্ৰিয়দৰ্শিনী, দশম শ্ৰেণী, নৱৰূপ জাতীয় বিদ্যাপীঠ, নগাঁও; তৃতীয় স্থান অধিকাৰ কৰিছে শ্ৰীহিমাস্মিতা বৰা, দশম শ্ৰেণী, পুৰণিগুদাম উচ্চ বালিকা বিদ্যালয়।

**জিম খানা**

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে শাৰিৰীক উৎকৰ্ষ সাধনৰ বাবে আধুনিক সা-সৰঞ্জামেৰে এটা জিমখানা স্থাপন কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে নিয়মীয়াকৈ শৰীৰ চৰ্চা কৰি যথেষ্ট উপকৃত হৈছে।

# মহাবিদ্যালয় মহিলাকোষ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ মহিলাকোষ ২০০৬ চনত গঠন হয়। সভানেত্ৰী মামণি শইকীয়া, সম্পাদিকা মল্লিকা বৰাকে ধৰি মুঠ এঘাৰগৰাকী সদস্যা আছে। প্ৰতিগৰাকী সদস্যাই মাহিলি ১শ টকাকৈ বৰঙণি আগবঢ়াই এটা নিজা পুঁজি গঠন কৰে। এই পুঁজিৰ ধনেৰে মহিলা কোষে মহিলা তথা সমাজৰ উন্নতিৰ বাবে বিভিন্ন সময়ত বিভিন্ন পদক্ষেপ লৈছে।

চলিত শিক্ষাবৰ্ষৰ চৈধ্য নৱেম্বৰত শিশু দিৱসৰ লগত সংগতি ৰাখি স্থানীয় মুক্তাব প্ৰাথমিক বিদ্যালয়ত অধ্যাপিকা মামনি শইকীয়াৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত কৰে। সভাত অধ্যাপিকা লখিমী কাকতি আৰু অধ্যাপিকা অঞ্জনা গোস্বামীয়ে ভাষণ প্ৰদান কৰে। কণ কণ শিশু সকলেও নাচ, গান আৰু কবিতা আবৃত্তি কৰি তেওঁলোকৰ প্ৰতিভা প্ৰদৰ্শন কৰে। মহিলাকোষৰ পৰা কণ কণ শিশু সকলৰ মাজত মানসিক উৎকৰ্ষ সাধনৰ বাবে কিতাপ আৰু লগতে খোৱা বস্তু বিতৰণ কৰা হয়।

চলিত শিক্ষাবৰ্ষৰ ষোল্ল ফেব্ৰুৱাৰীত বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ অৰ্থ সাহায্যৰে স্বেচ্ছাসেৱী অনুষ্ঠান দৃষ্টি ফাউণ্ডেচনৰ সহযোগত মহাবিদ্যালয়ৰ মহিলাকোষে “Feminism, Poverty & Globalization in the context of Assam” শীৰ্ষক ৰাজিক পৰ্যায়ৰ এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰে। আলোচনা চক্ৰখন শুভ উদ্বোধন কৰে পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত শৰৎচন্দ্ৰ খাউণ্ডে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰে। আলোচনা চক্ৰখনত সমল ব্যক্তিৰূপে অংশ গ্ৰহণ কৰে— গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰাক্তন অধ্যাপিকা ড° নীলিমা ভাগৱতী, শিক্ষাবিদ বিনীতা দত্ত, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা কুন্তলা ডেকা, নগাঁও ন্যায়ালয়ৰ অধিবক্তা দীপা শইকীয়া, গল্পকাৰ ডাঃ অপূৰ্ব শইকীয়া, বিশিষ্ট সাংবাদিক গুৰমাইল সিং, সমাজ কল্যাণ বিভাগৰ উপ-সঞ্চালক এছ, ই আলম, উদ্যোগি মহিলা জ্যোৎস্না গোস্বামীয়ে। বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা অধ্যাপক, অধ্যাপিকাসকলে মুঠ ২৩খন গবেষণা পত্ৰ পাঠ কৰে। গবেষণা পত্ৰসমূহত মহিলাসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা আৰু সমস্যা সমূহ ৰোধ কৰাত শিক্ষা আৰু অৰ্থনৈতিক স্বাধীনতাৰ গুৰুত্ব সম্পৰ্কে তেওঁলোকে গৱেষণা পত্ৰসমূহত আলোচনা কৰে। আলোচনা চক্ৰখনত স্থানীয় বিশিষ্ট ব্যক্তিৰ উপস্থিতিও যথেষ্ট আছিল।

উল্লেখযোগ্য যে আলোচনা চক্ৰলৈ অহা সমল ব্যক্তি গুৰমাইল সিং আৰু এছ, ই, আলমে মহিলা কোষলৈ আঠ হাজাৰ টকাৰ বৰঙণি আগবঢ়াই উদগনি যোগায়।

চলিত শিক্ষা বৰ্ষৰ এক জুন তাৰিখে আন্তৰ্ৰাষ্ট্ৰীয় শিশু দিৱস উপলক্ষে মহিলা কোষৰ সদস্যাসকলে বঢ়মপুৰত অৱস্থিত শ্ৰীমন্ত শংকৰ মিশ্বন অন্ধ বিদ্যালয়ৰ শিশুসকলৰ মাজলৈ গৈ ভাৱ বিনিময় কৰে। মহিলা কোষৰ সভানেত্ৰী মামনি শইকীয়াৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত অধ্যাপিকা অঞ্জনা গোস্বামীয়ে পৃথিৱীৰ পোহৰ নেদেখাকৈয়ে পোহৰাই যোৱা ইংৰাজ কবি মিল্টনকে আদি কৰি বিভিন্নজনৰ উদাহৰণ দি শিশুসকলক অনুপ্ৰাণিত কৰে। শিশুসকলৰ গান-বাজনা আৰু কবিতা আবৃত্তিৰে সভাখন জীপাল হৈ উঠে। সদস্যাসকলে শিশু সকলৰ মাজত এটা আলমিৰা, লিখিবৰ বাবে কাগজ আৰু সুগন্ধি চাবোন আদি বিতৰণ কৰে।

# ছাত্র-ছাত্ৰীসকলৰ সাফল্যৰ চমু খতিয়ান

চলিত শিক্ষাবৰ্ষৰ মহাবিদ্যালয় সপ্তাহ সমাৰোহত ছাত্ৰ-ছাত্ৰীসকলৰ সক্ৰিয় অংশগ্ৰহণে অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে। মহাবিদ্যালয়ৰ চলিত শিক্ষাবৰ্ষত স্নাতকৰ ১ম বৰ্ষ আৰু ২য় বৰ্ষৰ ৰাজনীতি বিজ্ঞান বিভাগ, ভূগোল বিভাগ, শিক্ষাবিভাগ, বুৰঞ্জী বিভাগ, অসমীয়া বিভাগত কেইবাজনো ছাত্ৰ-ছাত্ৰীয়ে ১ম শ্ৰেণী পাবলৈ সক্ষম হয়। ২০১১-১২ শিক্ষাবৰ্ষত স্নাতক চূড়ান্ত পৰীক্ষাত শিক্ষা বিভাগত ৰেহেনা খাতুনে ১ম শ্ৰেণী লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে।

# গ্ৰন্থ-প্ৰৱন্ধ আদি প্ৰকাশ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়া প্ৰমুখ্যে কেইবাগৰাকী অধ্যাপকে অসমীয়া সাহিত্য জগতত নিজকে নিয়োজিত কৰি ৰাখিছে। অধ্যক্ষ ড° ভূপেন শইকীয়াই ২০১১ চনৰ ডিচেম্বৰ মাহৰ 'জীৱন্মৃত' নামৰ এখন উপন্যাস আৰু 'চিন্তা-বিচিত্ৰা' নামৰ এখন প্ৰৱন্ধ সংকলন প্ৰকাশ কৰাৰ উপৰিও গৰীয়সীকে আদি কৰি বিভিন্ন আলোচনী, বাতৰি কাকত আদিত তেখেতৰ গল্প, প্ৰৱন্ধ প্ৰকাশ পাইছে।

অধ্যাপক কমল শইকীয়াৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা (M.I.L) বিভাগৰ দ্বাৰা প্ৰকাশিত 'নিনাদ' আলোচনীত 'উনবিংশ শতিকাৰ সমাজ-সাহিত্যৰ গৱেষক যোগেন্দ্ৰ নাৰায়ণ ভূঞা- সৃষ্টি আৰু চেতনা' শীৰ্ষক এক প্ৰবন্ধ প্ৰকাশ পায়। নগাঁও এ. ডি. পি কলেজৰ পৰা প্ৰকাশিত গ্ৰন্থত 'নাৰীৰ সামাজিক অৱস্থান' শীৰ্ষক এক প্ৰবন্ধ প্ৰকাশিত হয়। অসমীয়া বাতৰি কাকত 'খবৰ'ত "শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ অধিৱেশন আৰু আদৰ্শগত অৱস্থান" শীৰ্ষক প্ৰৱন্ধ প্ৰকাশ হয়।

অধ্যাপক সোমনাথ বৰা অসমীয়া সাহিত্য জগতত গল্প লেখক হিচাপে সুপৰিচিত। তেওঁ 'গৰীয়সী' আলোচনীত 'মই গৌৰৱ চলিহাই কৈছো', 'অঘৰী', হাঁহিৰাম ডাক্তৰৰ হাঁহি' আৰু 'সাতসৰী'ত 'অপাৰ্থিৱ' অথবা পৃথিৱীৰ আদি গল্প লিখাৰ উপৰিও 'আধুনিক ভাৰতীয় চুটি গল্প আৰু ৰবীন্দ্ৰ নাথ', 'প্ৰসঙ্গ ঃ বুঢ়ী আইৰ সাধু', 'বেজবৰুৱাৰ নাৰী চিত্ৰণ' আদি প্ৰবন্ধ বিভিন্ন আলোচনীত প্ৰকাশ পায়।

ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ কেইবাজনো অধ্যাপক/অধ্যাপিকা মহাবিদ্যালয়ৰ আলোচনীকে ধৰি অন্যান্য আলোচনী, বাতৰি কাকতত লেখা প্ৰকাশ পাইছে।

# পৰিচালনা সমিতি

১। শ্ৰীযুত শৰৎ চন্দ্ৰ খাউণ্ড, *সভাপতি*
২। ড° ভূপেন শইকীয়া - *অধ্যক্ষ, সচিব*
৩। শ্ৰীযুত মৃদুল কুমাৰ শইকীয়া, *উপাধ্যক্ষ*
৪। শ্ৰীযুত ফনীন্দ্ৰ নাথ গায়ন, *সদস্য*
৫। শ্ৰীযুত যোগানন্দ গোস্বামী, *সদস্য*
৬। শ্ৰীযুত ললিত চন্দ্ৰ দাধৰা, *সদস্য*
৭। শ্ৰীযুত হৰিকান্ত বৰা, *সদস্য*
৮। শ্ৰীযুতা মামনি শইকীয়া, *শিক্ষক গোটৰ মনোনীত সদস্য*
৯। শ্ৰীযুত বিপুল চক্ৰৱৰ্তী, *শিক্ষক গোটৰ মনোনীত সদস্য*
১০। মঃ কুতবউদ্দিন আহমেদ, *কাৰ্যালয়ৰ মনোনীত সদস্য*


ঠিকনা ঃ

**বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়**

স্থাপিত-জুলাই, ১৯৬৭ চন

ডাক-পুৰণিগুদাম

জিলা-নগাঁও ঃ অসম

ডাক সূচাংক - ৭৮২১৪১

দূৰভাষ - ০৩৬৭২-২৮১৬২৭

মেইল - bkbcollege@hotmail.com.


Human Rights and Soci
Department of Economics, Dr. B.K.B.
Alumni Associa
Dated
Februa



U.G.C. SPONSORED WORKSHOP
CUM TRAINING PROGRAMME
on
BUILDING AN INSTITUTIONAL REPOSITORY
USING 'DSPACE'
Organized by :
Dr. B.K.B. College Library, Puranigudam, Nagaon
In Collaboration with
District Library, Nagaon
Venue : Dr. B.K.B. College Premises


UGC Sponsored Seminar
on
Human Rights and Social Development
Alumni Ass
B. College, Puranigudam
February 2012


STATE LEVEL WORKSHOP
SYSTEM AND REMOTE SENSING
DEPARTMENT OF GEOGRAPHY




Sponsored Seminar
on
Feminism, Poverty & Globalisation
of Assam
College, Puranigudam
Drishti Foun
2012


Sponsored Seminar
on
Feminism,
& Globalisation
of Assam
College, Puranigudam
Drishti
Puranigudam, Nagaon
2012


UGC Sponsored Seminar
on
Feminism,
Globalisation
Assam
Women's Forum,
Puranigudam
Drishti Foundation
Puranigudam, Nagaon
Dated : 16th February, 2012








UGC Sponsored Seminar
on
Feminism, Poverty & Globalisation
Dated : 1 February, 2012



